Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

অর্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা

পাঠ - ১৮

আমাৰ চৌপাশৰ বজাৰ

অংশ – ২

দর্শনা তালুকদাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিভিন্ন প্ৰকাৰৰ বজাৰ

- দৈনিক বজাৰ বা স্থায়ী বজাৰ
- সাপ্তাহিক বা অৰ্ধ-সাপ্তাহিক বজাৰ;
- পাইকাৰী বজাৰ আৰু খুচুৰা বজাৰ;
- হকাৰ দ্বাৰা পৰিচালিত বজাৰ;
- শ্বপিং মল;
- শ্বপিং কমপ্লেক্স;

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৈনিক বজাৰ

- সপ্তাহৰ এটা নির্দিষ্ট বন্ধাৰ দিন বাদ দি বাকীকেইটা দিনত বজাৰবোৰ খোলা থাকে, এই বজাৰৰ দোকানবোৰ এক নির্দিষ্ট সময়ত খোলা হয় আৰু বন্ধ কৰা হয়, এনে বজাৰক দৈনিক বজাৰ বোলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৈনিক বজাৰৰ গুৰুত্ব —

- আমাৰ দৈনন্দিন জীৱনত বজাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- বিভিন্ন দোকান আৰু বজাৰে আমাক আগুৰি ধৰিছে, প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

স্থায়ী বজাৰ —

- সাধাৰণতে এই দোকানবোৰ স্থায়ী ঘৰত স্থাপন কৰা হয় বাবে এই দৈনিক বজাৰক স্থায়ী বজাৰ বোলা হয়।
- এই দোকানবোৰ সাধাৰণতে সপ্তাহৰ প্রতিটো দিনেই খোলা থাকে, এটা দিন বন্ধ থাকে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৈনিক বজাৰৰ বৈশিষ্ট্য —

- প্ৰতিদিনে নিৰ্দিষ্ট সময়ত দোকান খোলা আৰু বন্ধ।
- ওজন মেচিনৰ দৰে বৈজ্ঞানিক জোখ-মাখৰ ব্যৱস্থা ব্যৱহাৰ কৰা হয়।
- প্ৰতিটো বস্তুৰ এটা নিৰ্দিষ্ট হাৰ থাকে।
- গ্ৰাহকৰ সুবিধাৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীৰ বৰ্তমানৰ মূল্যব'ৰ্ডত প্ৰদৰ্শিত কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- দৈনিক বজাৰসমূহ নিয়মিতভাৱে খোলা ৰখা হয়, যাৰ ফলত বস্তু ক্ৰয় কৰাটো সহজ হয়।
- মানুহৰ দোকান বাছি লোৱাৰ স্বাধীনতা আছে।
- এই বজাৰসমূহে দৈনিক বজাৰ কৰাৰ প্ৰয়োজনীয়তাৰ বাবে সুবিধা আৰু নিৰ্ভৰযোগ্যতা প্ৰদান কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৈনিক বজাৰ —



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- দৈনিক বজাৰত চাউল, শস্যজাতীয় খাদ্য, ঘেঁহু, কাপোৰ, আটা, বিভিন্ন কোম্পানীৰ পৰা নিৰ্মিত সামগ্ৰীসমূহ নিৰ্দিষ্ট মূল্যত উপলব্ধ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৈনিক বজাৰৰ স্থান —

- চহৰ অঞ্চলত সাধাৰণতে বৃহৎ সংখ্যক দৈনিক বজাৰ বা স্থায়ী বজাৰ দেখা যায়।
- আজিকালি গ্ৰাম্য অঞ্চলতো এনে বজাৰ পোৱা যায়।
- গুৱাহাটীৰ ফাঁচী বজাৰ দৈনিক বজাৰৰ উদাহৰণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাপ্তাহিক বা অর্ধ সাপ্তাহিক বজাৰ

- এই বজাৰসমূহ সপ্তাহৰ এটা বা দুটা নির্দিষ্ট দিনত সাময়িকভাৱে অনুষ্ঠিত কৰা হয়।
- এই বজাৰক "হাট" বুলিও কোৱা হয়। গাঁৱৰ মানুহে নিজৰ কৃষিজাত সামগ্রী বিক্রী কৰে যেনে — সৰিয়হ, চাউল, শস্যজাতীয় খাদ্য, শাক-পাচলি, ফলমূল, পশুধন আৰু হাঁহ-কুকুৰা আদি ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ৰেডিমেড কাপোৰ, কাঠ, বেত আৰু বাঁহৰ সামগ্ৰী আৰু খাব পৰা সামগ্ৰী হাটত প্ৰদৰ্শন কৰা হয়।
- বিক্ৰেতাসকলেও নিজৰ ঘৰুৱা প্ৰয়োজনৰ বাবে এই বজাৰসমূহৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাপ্তাহিক বজাৰত মূল্য নিৰ্ধাৰণ —

- সাপ্তাহিক বজাৰত বহু দোকানত একে ধৰণৰ সামগ্ৰী পোৱা যায়।
- দাম তুলনামূলকভাৱে কম।
- ক্ৰেতাই দোকান নিৰ্বাচন কৰি কম দামত বস্তু কিনিবলৈ দৰদাম কৰিব পাৰে।
- সময়ৰ লগে লগে একে বস্তুৰ দাম সলনি হ'ব পাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাপ্তাহিক বজাৰৰ স্থান —

- সাপ্তাহিক আৰু অর্ধ-সপ্তাহিক বজাৰ বা হাট, গ্রাম্য অঞ্চল আৰু চহৰ অঞ্চল অনুষ্ঠিত হয়।

উদাহৰণ —

- গুৱাহাটীৰ বেলতলা বজাৰ (অর্ধ-সাপ্তাহিক বজাৰ)
- গৌৰীসাগৰত মঙলবাৰৰ হাট (বৃহৎ সাপ্তাহিক বজাৰ)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাপ্তাহিক বজাৰৰ বৈশিষ্ট্য —

- সাপ্তাহিক বজাৰত কোনো স্থায়ী অট্টালিকা নাথাকে।
- বিক্রেতাই নিজৰ ঘৰতে সামগ্রী মজুত কৰে।
- ঘৰৰ ভাড়া, বিদ্যুৎ, বা কর্মচাৰীৰ খৰচৰ প্রয়োজন নাই।
- সাপ্তাহিক বজাৰত একে ঠাইতে সকলো প্রয়োজনীয় সামগ্রী একে সময়তে ক্রয় কৰাৰ সুবিধা প্রদান কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাইকাৰী বজাৰ আৰু খুচুৰা বজাৰ

- পাইকাৰী বজাৰ হৈছে এনে এক বজাৰ যত পাইকাৰী ব্যৱসায়ীয়ে পাইকাৰী দামত বিক্ৰী কৰে।
- পাইকাৰী বিক্ৰেতাই উৎপাদনকাৰীৰ পৰা বৃহৎ পৰিমানে সামগ্ৰীসমূহ কিনি লয়।
- সৰহসংখ্যক সামগ্ৰী একে লগে কিনাৰ বাবে পাইকাৰী বজাৰত বস্তুৰ দাম কম হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

খুচুৰা বজাৰ —

- খুচুৰা বজাৰ হৈছে এনে এক বজাৰ যত খুচুৰা বিক্ৰেতাই পাইকাৰী বিক্ৰেতাৰ পৰা কম দামত বস্তু ক্ৰয় কৰে আৰু গ্ৰাহকৰ ওচৰত বেছি দামত বিক্ৰী কৰি লাভ অৰ্জন কৰে।
- বিক্ৰেতাই ক্ৰয় কৰা দামতকৈ অধিক দামত বিক্ৰী কৰি লাভ অৰ্জনৰ চেষ্টা কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাইকাৰী আৰু খুচুৰা বজাৰৰ বিষয়ে উদাহৰণ —

- মন সিং টেৰণে সুতাৰপাৰা সাপ্তাহিক বজাৰৰ পৰা চমছেৰ দোকানীৰ পৰা ৬০ টকাত এটা গেঞ্জি কিনিলে। চমছেৰে গুৱাহাটীৰ ফাঁচী বজাৰত অৱস্থিত 'অৰুণ ষ্টোৰ'ৰ পৰা ডজনে প্ৰতি ৬০০ টকাত হিচাপত ৫ ডজন গেঞ্জি কিনিছিল। 'অৰুণ ষ্টোৰ'ৰ মালিকে আকৌ কলকাতাৰ গেঞ্জি উৎপাদনকাৰী 'কমল সাহা এণ্ড কোম্পানী'ৰ পৰা ডজনে প্ৰতি ৫০০ টকা দৰত ৫০ ডজন গেঞ্জি কিনিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যোগান শৃংখলত ভূমিকা —

ভূমিকা	উদাহৰণ
প্রযোজক	কমল সাহা এণ্ড কোম্পানী (কলকাতা)
পাইকাৰী বিক্রেতা	অৰুণ ষ্ট'ৰ (গুৱাহাটী)ৰ মালিক
খুচুৰা বিক্রেতা	চমছেৰ (সুতাৰপাৰা সাপ্তাহিক বজাৰ)
ক্রেতা	মন সিং টেৰন

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাইকাৰী বজাৰ —

✦ পাইকাৰী বিপণন কৰা ঠাইখনেই দিয়া মূল্যটোৱেই হৈছে পাইকাৰী মূল্য।

খুচুৰা বজাৰ —

✦ খুচুৰা বিপণন কৰা ঠাইখনেই দিয়া মূল্য হ'ল খুচুৰা মূল্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হকাৰে চলোৱা বজাৰ

- আমি হকাৰৰ পৰা শাক-পাচলি, গাখীৰ, ফল, কণী, কেৰাচিন, প্ৰসাধন সামগ্ৰী, সুলভ মূল্যৰ সামগ্ৰী, বাতৰি কাকত আদি কিনো।
- হকাৰে ঘৰে ঘৰে সামগ্ৰী বিক্ৰী কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শ্বপিং মল

- শ্বপিং মল হৈছে ডাঙৰ ডাঙৰ অট্টালিকাত ৰখা বজাৰ।
- বিভিন্ন দোকানত সকলো অত্যাৱশ্যকীয় সামগ্রী আকৰ্ষণীয়ভাৱে প্রদর্শন কৰা হয়।
- গ্রাহকে নিজৰ পছন্দৰ সামগ্রী ক্রয় কৰিব পাৰে আৰু প্রতিখন দোকানতে বিল পৰিশোধ কৰিব পাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গ্ৰাহকে বিভিন্ন বস্তুৰ বাবে দোকান বিচাৰি ইঠাইৰ পৰা সিঠাইলৈ যোৱাৰ প্ৰয়োজন নাই।
- শ্বপিং মলৰ মালিকীস্বত্ব কোনো ব্যক্তি বা কেইবাজন ব্যক্তিৰ এটা গোটত থাকে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শ্বপিং কমপ্লেক্স

- শ্বপিং কমপ্লেক্স হ'ল এটা ডাঙৰ অট্টালিকাত থকা দোকানৰ এটা সমষ্টি।
- বিভিন্ন সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় বিভিন্ন দোকানত হয়।
- শ্বপিং কমপ্লেক্সৰ প্ৰতিখন দোকানৰ সাধাৰণতে এজন সুকীয়া মালিক থাকে।

মূল্যায়ন

১। দৈনিক বজাৰবোৰক আন কি নামেৰে জনা যায় ?

ক) স্থায়ী বজাৰ

খ) সাপ্তাহিক বজাৰ

২। বস্তুৰ দাম পাইকাৰী বজাৰত ..কম.. হয়।



৩। খুচুৰা বিক্রেতাই পাইকাৰী বিক্রেতাৰ পৰা সামগ্রী কিনে।

